নং ঃ ৭১২/২০২০

লখিমপুৰ জিলাৰ বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# জিলাখনত সোৱণশিৰি নদীৰ দ্বাৰা সৃষ্ট বান আৰু খহনীয়া সমস্যাৰ স্থায়ী সমাধানকল্পে নদীখনৰ হাইড্ৰল'জিকেল ছাৰ্ভেৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ৩০ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি লখিমপুৰ আৱৰ্ত্ত ভৱনৰ সভাকক্ষত জিলাখনৰ বিভিন্ন বিভাগৰ মূৰব্বী বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হৈ জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনত মাটিৰ পট্টা বিতৰণ, প্ৰধানমন্ত্ৰী আৱাস যোজনা, জলজীৱন মিছন, আধাৰৰ পঞ্জীয়ন, সৌভাগ্য, প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা আদিকে ধৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ গুৰুত্বপূৰ্ণ আঁচনিসমূহৰ কাম-কাজ ক্ষিপ্ৰগতিত আগুৱাই নিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলাখনত প্ৰথম পৰ্যায়ত ৯৪০০ গৰাকী ভূমিহীন খিলঞ্জীয়াক পট্টা আৰু অনুমোদন পত্ৰ প্ৰদান কৰাৰ পাছত দ্বিতীয় পৰ্যায়ত লক্ষ্য নিৰ্দ্ধাৰিত ৭ হাজাৰ পৰিয়ালক ডিচেম্বৰৰ ভিতৰত ভূমিপট্টা প্ৰদানৰ বাবে সাজু কৰি তুলিবলৈ তেওঁ নিৰ্দেশ দিয়ে। লখিমপুৰ জিলাত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) ৰ লক্ষ্য নিৰ্দ্ধাৰিত ১৬,৯৩০ টা গৃহৰ ভিতৰত ৯৬ শতাংশৰে কাম সম্পূৰ্ণ হোৱাত সন্তুষ্টি প্ৰকাশ কৰি গৃহ নিৰ্মাণ কাৰ্যত গুণগত মান অক্ষুণ্ণ ৰখাৰ ওপৰত তেওঁ অগ্ৰাধিকাৰ প্ৰদান কৰে। একেদৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰ)ৰ নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগক আহ্বান জনায়।

লখিমপুৰ জিলাৰ গ্ৰামাঞ্চলৰ কোনো এগৰাকী লোকেই যাতে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত নহয় তাৰ বাবে জিলাখনত ভাৰত চৰকাৰৰ ধ্বজাবাহী আঁচনি জলজীৱন মিছনৰ ৰূপায়ণৰ কাম দ্ৰুত কৰি তুলিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। জিলাখনৰ যদি কোনো অঞ্চলৰ ভূ-জলত আৰ্চেনিক ধৰা পৰে তেনে ক্ষেত্ৰত আৰ্চেনিক নিষ্কাশনৰ ওপৰতো বিশেষ গুৰুত্ব প্ৰদান কৰিবলৈ তেওঁ মিছন কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। লখিমপুৰ জিলাৰ নাগৰিকসকলৰ আধাৰ পঞ্জীয়নৰ কাম যথাসম্ভৱ সোনকালে সম্পূৰ্ণ কৰি তোলাৰ স্বাৰ্থত বৰ্তমানে নিয়োজিত ১৯৬ প্ৰতিষ্ঠানৰ উপৰি প্ৰয়োজন সাপেক্ষে অতিৰিক্ত প্ৰতিষ্ঠানক নিয়োজিত কৰিবলৈ তথা এই কাৰ্যৰ বিনিময়ত যাতে কোনেও সৰ্বসাধাৰণ ৰাইজৰ লগত ধনৰ লেন-দেন কৰিব নোৱাৰে সেই দিশত চোকা দৃষ্টি ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। এনেধৰণৰ দুষ্কাৰ্যত লিপ্ত ব্যক্তি বা প্ৰতিষ্ঠানৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বৈঠকত জিলাখনত 'সৌভাগ্য' আঁচনিৰ ৰূপায়ণৰ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠা বুলি শক্তি বিভাগৰ বিষয়ববীয়াসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে।

লখিমপুৰৰত নিৰ্মীয়মান চিকিৎসা মহাবিদ্যালয়খনৰ কাম সম্পূৰ্ণ হৈ উঠিলে ই সমগ্ৰ উত্তৰ অসমৰ বাবেই এক আগশাৰীৰ অনুষ্ঠানত পৰিণত হ'ব বুলি মন্তব্য কৰি এই মহাবিদ্যালয়খন নিৰ্মাণৰ সময়ত চৌহদৰ সেউজীয়া বাতাৱৰণ অক্ষুণ্ণ ৰখাত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। প্ৰায় ৭০ শতাংশ কাম সম্পূৰ্ণ হৈ উঠা মহাবিদ্যালয়খনৰ চাৰিসীমাৰ বেৰ আৰু মূল প্ৰৱেশ দ্বাৰখন একক আৰু অনন্য ৰূপত নিৰ্মাণৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

জিলাখনত সোৱণশিৰি নদীয়ে সৃষ্টি কৰা বান-খহনীয়া সমস্যাৰ স্থায়ী সমাধান সূত্ৰ উলিয়াবলৈ এই নদীখনৰ হাইড্ৰ'লজিকেল ছাৰ্ভে সম্পন্ন কৰাৰ ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে লখিমপুৰ জিলাৰ শেহতীয়া ক'ভিড-১৯ পৰিস্থিতিৰো পৰ্যালোচনা কৰে। ৰাজ্যখনত এই মহামাৰীৰ সংক্ৰমণ কিছু স্তিমিত হ'লেও ইয়াৰ ভয়াবহতা এতিয়াও আঁতৰি যোৱা নাই বুলি মন্তব্য কৰি এই ৰোগৰ সৈতে সহ-অৱস্থানেৰে আমাৰ প্ৰাত্যহিক জীৱন যাত্ৰা আগুৱাই নিব লাগিব বুলি তেওঁ কয়। ক'ভিডৰ আতংকই বিস্তৰ ক্ষতি কৰা আমাৰ ৰাজ্যখনৰ কৰ্ম-সংস্কৃতিক পুনৰ স্বাভাৱিক গতিলৈ ঘূৰাই অনাৰ বাবে আৰু এই ক্ষেত্ৰত স্বাস্থ্যসন্মত বিধি-বিধান কঠোৰভাৱে মানি চলাৰ দিশত চকু ৰাখিবলৈ তেওঁ স্বাস্থ্য বিভাগৰ কৰ্মকৰ্তাসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ক'ভিড সংক্ৰমণৰ প্ৰথম পৰ্যায়ৰ পৰা বৰ্তমানলৈ লাভ কৰা বিভিন্ন দিশৰ কাৰ্যব্যৱস্থাৱলীসমূহ উপযুক্তভাৱে তথ্যায়নৰ বাবেও স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকক নিৰ্দেশ দিয়ে যাতে পৰৱৰ্তী সময়ত এনে পৰিস্থিতিৰ উদ্ভৱ হ'লে পূৰ্বৰ অভিজ্ঞতাসমূহ কামত খটুৱাই বিহিত ব্যৱস্থা ল'ব পৰা যায়।

আজিৰ এই পৰ্যালোচনা বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, উপায়ুক্ত ডাঃ জীৱন বি, আৰক্ষী অধীক্ষক লংনিট তেৰনৰ লগতে জিলাখনৰ জলসম্পদ, লোক নিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী, স্বাস্থ্য আদি প্ৰতিটো বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**বঃভাঃ**
**৩০/১০/২০২০**